**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰদান। শিশুৰ বাবে অনুকুল পঞ্চায়ত শীৰ্ষক বিষয়ত মাজুলীৰ জেংৰাই পঞ্চায়তৰ দেশৰ ভিতৰতে প্ৰথম স্থান লাভ।

২। ৰাজ্য চৰকাৰৰ উদ্যোগত আজিৰে পৰা শিক্ষা, ৰাজহ, উদ্যোগ আৰু বিত্ত বিভাগৰ জৰিয়তে 'বিকাশৰ ১২ দিন' শীৰ্ষক উন্নয়ন কাৰ্যসূচী।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ভিডিঅ' কনফাৰেন্সিংযোগে স্মাৰ্ট ইণ্ডিয়া হেকাথন ২০২৪ৰ গ্ৰেণ্ড ফিনালে অনুষ্ঠানত যুৱ উদ্ভাৱকৰ সৈতে মত-বিনিময়।

৪। নাগালেণ্ডৰ কিচামা গাঁৱত অনুষ্ঠিত ২৫ সংখ্যক হৰ্ণবিল মহোৎসৱৰ সামৰণি। *আৰু*

৫। মিজোৰামৰ চেৰশ্বিপ জিলাত কালিৰেপৰা আন্তঃৰাষ্ট্ৰীয় পেৰাগ্লাইডিং প্ৰতিযোগিতা আৰু এৰ'স্পৰ্ট মহোৎসৱ অনুষ্ঠিত।

000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰদান কৰিব। তৃণমূল পৰ্যায়ত প্ৰশাসন আৰু উন্নয়নত দেখুওৱা পাৰদৰ্শিতাৰ বাবে এইবাৰ বিভিন্ন শিতানত মুঠ ৪৫ খন পঞ্চায়তক বাছনি কৰা হৈছে। মাজুলীৰ উজনি মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত জেংৰাই গাঁও পঞ্চায়তলৈ আজি ৰাষ্ট্ৰপতিয়ে এই বঁটা প্ৰদান কৰিব। পঞ্চায়তখনৰ এই সফলতা সন্দৰ্ভত আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়-

**ভইচ কাষ্ট**

উল্লেখযোগ্য যে শিশুৰ বাবে অনুকুল পঞ্চায়ত শীৰ্ষক বিষয়ত পঞ্চায়তখনে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। আজি এই বঁটা প্ৰদান অনুষ্ঠানত বিভাগীয় কেন্দ্ৰীয় ৰাজীৱ ৰঞ্জন সিঙে বঁটা বিজয়ী পঞ্চায়তসমূহৰ অভিনৱ আৰু প্ৰভাৱশালী পদ্ধতি সম্বলিত এখন পুস্তিকা উন্মোচন কৰিব। মন্ত্ৰালয়ে বিবৃতিযোগে কয়, যে এই বঁটা প্ৰদান অনুষ্ঠানৰ জৰিয়তে অন্যান্য পঞ্চায়তসমূহক উত্তম পদ্ধতি গ্ৰহণ কৰিবলৈ আৰু দেশৰ গ্ৰামাঞ্চলসমূহৰ সামগ্ৰিক উন্নয়নত অৰিহনা যোগাবলৈ অনুপ্ৰাণিত কৰাৰ লক্ষ্য লোৱা হৈছে।

000000

ৰাজ্য চৰকাৰৰ উদ্যোগত আজিৰে পৰা অহা ১২ দিনলৈ শিক্ষা, ৰাজহ, উদ্যোগ আৰু বিত্ত বিভাগৰ জৰিয়তে সকলো জিলাতে **বিকাশৰ ১২ দিন** শীৰ্ষক উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। আজি গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী ডা০ ৰণোজ পেগুৱে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ **বিকাশৰ ১২ দিন**ৰ কাৰ্যসূচী শুভাৰম্ভ কৰিব।

মন্ত্ৰী অজন্তা নেওগে যোৰহাট জিলা ষ্টেডিয়ামত দিনৰ ১১ বজাত জিলাখনৰ **বিকাশৰ ১২ দিনৰ** কাৰ্যসূচীও শুভাৰম্ভ কৰিব। এই কাৰ্যসূচীত প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আনন্দৰাম বৰুৱা বঁটা আৰু ড০ বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান কৰাৰ লগতে ২০২৪-২৫ বৰ্ষত নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক চাইকেল প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ জৰিয়তে দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়াললৈ সাহায্য প্ৰদান কৰা হ'ব। লগতে কৃষি, মীণ, পশুপালন আৰু পশুচিকিৎসা খণ্ডত ক্ষতিগ্ৰস্ত পৰিয়াললৈ সাহায্য আগবঢ়োৱা হয়। ৰাজ্যৰ মাইক্ৰ'ফাইনেন্সৰ ঋণীক No Dues Certificate প্ৰদান কৰা হ'ব। অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানক উদগণি আৰু সকাহ আঁচনিৰ অধীনত কেইবাহাজাৰ হিতাধিকাৰীক সাহায্য প্ৰদানৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উদ্যোগ আৰু বাণিজ্য বিভাগৰ জৰিয়তে এই কাৰ্যসূচীত আত্মসহায়ক গোটৰ  মহিলাক স্বাৱলম্বী হোৱাৰ বাবে প্ৰাৰম্ভিক মূলধন বিতৰণ কৰা হ'ব।

০০০০০০

অসম চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আজিৰেপৰা ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থীলৈ আনন্দৰাম বৰুৱা বঁটা আগবঢ়োৱা হ'ব। এই কাৰ্যসূচীৰ অধীনত দশম শ্ৰেণীৰ পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলক সামৰি লোৱা হ'ব। আনহাতে ড০ বাণীকান্ত কাকতি বঁটা প্ৰদান আঁচনিৰ অধীনত দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত কৃৰ্তিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসক স্কুটী বিতৰণ কাৰ্যসূচীৰ আজি শুভাৰম্ভ কৰা হ'ব। তেওঁ কয়, যে আনন্দৰাম বৰুৱা বঁটাপ্ৰাপ্ত শিক্ষাৰ্থীক বেংক একাউণ্টৰ জৰিয়তে ১২ হাজাৰ ৫০০ টকাকৈ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই বঁটা প্ৰদানৰ শুভাৰম্ভ কৰাৰ পাছত পৰৱৰ্তী সময়ত প্ৰতিখন জিলাতে এই বঁটাসমূহ প্ৰদান কৰা হ'ব। আনহাতে ড০ বাণীকান্ত কাকতি বঁটা প্ৰদান কাৰ্যসূচীৰ অধীনত কাইলৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ আৰু ৬০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰীক স্কুটী প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। চলিত বছৰত ৪৮ হাজাৰ ৬৭৩ গৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষা বিভাগে এই বঁটা প্ৰদানৰ বাবে সাজু হৈছে। শিক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাইলৈ কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ছাত্ৰ-ছাত্ৰীক এই দুয়োটা বঁটা প্ৰদানৰ শুভাৰম্ভ কৰিব। শিক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰাজ্য চৰকাৰে পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বাবে পূৰ্বে অনুষ্ঠিত মুখ্যমন্ত্ৰীৰ বৃত্তি পৰীক্ষাৰ নাম সলনি কৰি আনন্দৰাম বৰুৱা বঁটা প্ৰদানৰ বাবেও পৰিকল্পনা লৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিংযোগে স্মাৰ্ট ইণ্ডিয়া হেকাথন ২০২৪ৰ গ্ৰেণ্ড ফিনালে অনুষ্ঠানত যুৱ উদ্ভাৱকসকলৰ সৈতে মত-বিনিময় কৰিব। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি দেশৰ মুঠ ৫১টা কেন্দ্ৰত আৰম্ভ হ'বলগীয়া হেকাথনৰ সপ্তম সংস্কৰণৰ গ্ৰেণ্ড ফিনালে অনুষ্ঠান ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰিব। অনুষ্ঠানত ১৩শতকৈও অধিক শিক্ষাৰ্থীৰ দলে অংশগ্ৰহণ কৰিব। স্মাৰ্ট ইণ্ডিয়া হেকাথন হৈছে শিক্ষাৰ্থীসকলে দৈনন্দিন জীৱনত সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ সমাধানৰ বাবে এখন মঞ্চ প্ৰদান কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উদ্ভাৱনৰ সংস্কৃতি গঢ়ি তুলিবলৈ দেশজুৰি গ্ৰহণ কৰা এটা পদক্ষেপ।

০০০০০০

নাগালেণ্ডৰ কিচামা গাঁৱত অনুষ্ঠিত ২৫ সংখ্যক হৰ্ণবিল মহোৎসৱৰ কালি সামৰণি পৰে। এই উপলক্ষে কালি বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি ৰাজ্যখনৰ পৰ্যটন মন্ত্ৰী আৰু মহোৎসৱৰ আয়োজক টেমজেন ইম্নাই নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ৰ লগতে অভ্যাগতসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। কালিৰ অনুষ্ঠানত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দূতাবাসৰ প্ৰতিনিধি গ্ল'ৰিয়া

বাৰবেনাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে মহোৎসৱৰ ১০ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা অন্য বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

এইবাৰ এই মহোৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষত নাগালেণ্ড চৰকাৰৰ সৈতে বেলছ, জাপান, পেৰু আৰু আমেৰিকাই সহযোগিতা আগবঢ়ায়। আনহাতে ছিকিম আৰু তেলেংগানায়ো এই মহোৎসৱত সহযোগ কৰে।

মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত যশস্বী সংগীত শিল্পী এ আৰ ৰহমান উপস্থিত আছিল। ০০০০০০০

০০০০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ত কালিৰেপৰা দুদিনীয়াকৈ স্থিতিস্থাপক ভৱিষ্যতৰ বাবে পৰৱৰ্তী প্ৰজন্মক সৱলীকৰণ শীৰ্ষক কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত অগ্নি নিৰ্বাপন, ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ ব্যৱস্থাপনা আৰু উদ্ধাৰ অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পৰাকৈ যুৱ প্ৰজন্মক সাজু কৰি তোলাৰ লক্ষ্য লোৱা হৈছে। যিকোনো দুৰ্যোগকালীন পৰিস্থিতিত ক্ষতি হ্ৰাস কৰি উদ্ধাৰ অভিযানৰ সময়ত তাৎক্ষণিকভাৱে ল’বলগীয়া ব্যৱস্থা আৰু প্ৰাথমিক চিকিৎসাৰ ক্ষেত্ৰত ব্যৱহাৰিক জ্ঞান দিয়াৰ বাবেও এই কাৰ্যসূচীত প্ৰয়াস কৰা হৈছে। কালি ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই এই অনুষ্ঠানত উপস্থিত থাকি দুৰ্যোগ ব্যৱস্থাপনাৰ অনুশীলন কাৰ্যৰ শুভাৰম্ভ কৰে। এই কাৰ্যসূচীত অসমৰ উপৰি চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আৰু ছিকিমৰ লগতে দেশৰ আন কেইবাখনো ৰাজ্যৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়াসকলে অংশগ্ৰহণ কৰিছে। আজি এই কৰ্মশালাৰ সামৰণি পৰিব।

০০০০০০

ছিৰিয়াত সৃষ্টি হোৱা শেহতীয়া পৰিস্থিতিৰ পাছত কেন্দ্ৰীয় চৰকাৰে কালি ৭৫ গৰাকী ভাৰতীয় নাগৰিকক দেশখনৰ পৰা ওভতাই অনাৰ ব্যৱস্থা কৰে। এই লোকসকলৰ ভিতৰত ছায়েদা জেনাবত আৱদ্ধ হৈ থকা ৪৪গৰাকী জম্মু-কাশ্মীৰৰ বাসিন্দা। দেশখনত আবদ্ধ হৈ থকা সকলো ভাৰতীয়ই ইতিমধ্যে নিৰাপদে লেবানন সীমান্ত অতিক্ৰম কৰিছে আৰু বাণিজ্যিক বিমানযোগে শীঘ্ৰেই তেওঁলোক ভাৰতলৈ আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি ডামাস্কাছ আৰু বেইৰুটত থকা ভাৰতীয় দূতাবাসৰ প্ৰচেষ্টাত উদ্ধাৰ অভিযান অব্যাহত আছে। দেশখনৰ নিৰাপত্তা পৰিস্থিতিৰ মূল্যায়ন আৰু ছিৰিয়াত থকা ভাৰতীয় নাগৰিকসকলৰ অনুৰোধ মৰ্মে কেন্দ্ৰীয় চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা এটা বিবৃতিত চৰকাৰে বিদেশত থকা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষাক অগ্ৰাধিকাৰ দিয়ে বুলি উল্লেখ কৰিছে।

০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ হিচাপে সঞ্জয় মালহোত্ৰাই আজি দায়িত্বভাৰ গ্ৰহণ কৰিব। বৰ্তমানৰ গৱৰ্ণৰ শক্তিকান্ত দাসৰ স্থলাভিষিক্ত হ’বলগীয়া মালহোত্ৰাই সম্প্ৰতি কেন্দ্ৰীয় ৰাজহ দপ্তৰৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁক ৩ বছৰ কাৰ্যকালৰ বাবে ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ১৯৯০ বৰ্ষৰ ৰাজস্থান কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া মালহোত্ৰা হ’ব ৰিজাৰ্ভ বেংকৰ ২৬ সংখ্যক গৱৰ্নৰ। আই আই টি কাণপুৰৰ অভিযান্ত্ৰিকৰ স্নাতক ডিগ্ৰীধাৰী মালহোত্ৰাই পাব্লিক পলিচী বিষয়ত আমেৰিকাৰ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল।

০০০০০০

চিৰাঙৰ জিলা আৰু ছেচন ন্যায়াধীশে কালি এটি কন্যা শিশুৰ যৌন নিৰ্যাতনৰ ঘটনাত POCSO আইনৰ অধীনত চলোৱা গোচৰত অভিযুক্তক ৫ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায় প্ৰদান কৰে। অভিযুক্ত জিলাখনৰ

বাসুগাঁও চহৰৰ ব্যৱসায়ী বাবুল দাসক কালি আদালতে কাৰাদণ্ড বিহাৰ লগতে ২০ হাজাৰ টকাৰ জৰিমনাও বিহে। উল্লেখযোগ্য যে চলিত বছৰৰ ২ মাৰ্চত বাসুগাঁও থানাত এই গোচৰ পঞ্জীয়ন হৈছিল।

০০০০০০

ধন্যবাদ অৰুণিমা গোস্বামী.......

গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতে বহুকেইটা গুৰুত্বপূৰ্ণ বাতৰিক আজি প্ৰথম পৃষ্ঠাত স্থান দিছে। ইয়াৰ ভিতৰত বেংগালুৰুৰ আজিম প্ৰেমজী বিশ্ববিদ্যালয়ে জলবায়ু বিষয়ত যুগুত কৰি উলিওৱা শেহতীয়া এখন প্ৰতিবেদনত অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ ভয়ংকৰ বিপদ কঢ়িয়াই অনা বুলি এটা বাতৰি দৈনিক অসম কাকতখনে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। প্ৰতিবেদনখনৰ মতে শীতকাল চমু হোৱাৰ লগতে তাপমাত্ৰা বাঢ়িব আৰু সমগ্ৰ অঞ্চলটোত বৰষুণৰ পৰিমান কমিব বুলিও বাতৰিটোত উল্লেখ আছে।

অসমীয়া প্ৰতিদিন কাকতখনে সৰ্বোচ্চ ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক বিনামূলীয়া ৰেচন দিয়াৰ পৰিৱৰ্তে কৰ্ম-সংস্থাপনত গুৰুত্ব দিবলৈ কঠোৰ নিৰ্দেশনা প্ৰদান কৰাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

চিআইডিয়ে বহিঃৰাজ্যৰ পৰা বিএড ডিগ্ৰী লৈ অসমত শিক্ষকতা কৰি থকা লোকসকলৰ তথ্য বিচৰাৰ খবৰটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতখনে ৰাজ্যসভাৰ অধ্যক্ষৰ বিৰুদ্ধে বিৰোধীয়ে অনাস্থাৰ প্ৰস্তাৱ তোলাৰ গুৰুত্বপূৰ্ণ বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই বিষয়ত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে বিজেপি দলৰে সংখ্যাগৰিষ্ঠতা আছে বুলি কৰা মন্তব্যৰ কথাও বাতৰিটোত উল্লেখ আছে।

অসম জনমূৰি আয় তালিকাৰ শেষৰফালে আছে বুলি ৰাজ্যসভাৰ কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধুৰীয়ে তালিকা প্ৰকাশ কৰাৰ এটা তাৎপৰ্যপূৰ্ণ বাতৰি দৈনিক জনমভূমি কাকতে তথ্য সহকাৰে প্ৰকাশ কৰিছে। তালিকাৰ প্ৰথম স্থানত ছিকিম আছে বুলি উল্লেখ কৰে।

দি আছাম ট্ৰিবিউন কাকতখনে অসম চৰকাৰে জাগীৰোডক স্মাৰ্ট চিটীৰূপে গঢ়ি তুলিবলৈ কেন্দ্ৰৰ ওচৰত আবেদন জনোৱাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোত লগতে উল্লেখ কৰিছে ভাৰতত নতুনকৈ ৮খন নতুন স্মাৰ্ট চিটী নিৰ্মাণৰ বাবে কেন্দ্ৰই ৮ হাজাৰ কোটি টকাৰ এটা বৃহৎ প্ৰকল্প হাতত লৈছে।

ভাৰতীয় মূলৰ হৰমীট ধিলনক আমেৰিকাৰ ডনাল্ড ট্ৰাম্প চৰকাৰে মানৱাধিকাৰ আয়োগৰ শীৰ্ষ পদত নিযুক্তি দিয়াৰ খবৰটো নিয়মীয়া বাৰ্তা কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটিমান বাতৰি। এতিয়া আমি পুনৰ উভতি আহিছো অৰুণিমা গোস্বামীৰ ওচৰলৈ।

০০০০০০

মিজোৰামৰ চেৰশ্চিপ জিলাত কালিৰেপৰা আন্তঃৰাষ্ট্ৰীয় পেৰাগ্লাইডিং প্ৰতিযোগিতা আৰু এৰ'স্পৰ্ট মহোৎসৱ অনুষ্ঠিত হৈছে। শুকুৰবাৰলৈ চলিবলগীয়া এই প্ৰতিযোগিতাত দক্ষিণ কোৰিয়া, নেপাল, কাজাখাস্তান আৰু ইন্দোনেছিয়াৰ পাইলটসকলে অংশগ্ৰহণ কৰাৰ কথা। ৰাজ্যখনৰ জলপুই অৱতৰণক্ষেত্ৰত হ'বলগীয়া সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী পু লালডুহোমা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই মহোৎসৱৰ সৈতে সংগতি ৰাখি জলপুইত মিজোৰামৰ থলুৱা খাদ্য আৰু সাংস্কৃতিক উপাদানসমূহৰ বিপণী মুকলি কৰা হৈছে।

০০০০০০

ওড়িশাৰ পুৰীত অনুষ্ঠিত নৱম বাৰ্ষিক ৰাষ্ট্ৰীয় কুংফু চেম্পিয়নশ্বিপত অসমৰ দলে শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা নলবাৰী জিলাৰ আঠগৰাকী খেলুৱৈয়ে মুঠ ১৪টা পদক অৰ্জন কৰিছে। ৰণবীৰ তালুকদাৰে দুটা সোণ, ৰূপজ্যোতি তালুকদাৰে এটা সোণ আৰু এটা ব্ৰঞ্জ, হৰ্ষিত বৰুৱাই এটা ব্ৰঞ্জ, ছয়নিকা দেৱীয়ে এটা ৰূপ আৰু এটা ব্ৰঞ্জ, সঞ্জয় তালুকদাৰে এটা ব্ৰঞ্জ, ৰাণু দাস আৰু বৰ্ণাভ কাশ্যপে এটাকৈ সোণ, ৰূপ আৰু ব্ৰঞ্জৰ অৰ্জন কৰিবলৈ সমৰ্থ হয়।

০০০০০০

তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কালিৰে পৰা তিনিদিনীয়াকৈ দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই খেল মহাৰণ প্ৰতিযোগিতাত তামুলপুৰ বিধানসভা সমষ্টিৰ প্ৰায় ২ হাজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। ভৱানীপুৰৰ বিধায়কে হাতত অগ্নিশিক্ষা লৈ কালি খেল মহাৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

০০০০০০

পাৰ্থত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি ভাৰতীয় দলটো আয়োজক অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন পুৱা ৯ বাজি ৫০ মিনিটত আৰম্ভ হ'ব। ইতিমধ্যে অষ্ট্ৰেলিয়াই এই শৃংখলাত ২-০ৰ ফলাফলত অগ্ৰগতি লাভ কৰি আছে। দলটোৱে ৫ উইকেটত প্ৰথমখন মেচ আৰু ১২২ ৰাণৰ বৃহৎ ব্যৱধানত দ্বিতীয়খন মেচত জয়লাভ কৰিছিল। প্ৰথম দুয়োখন খেল ব্ৰিছবেনত অনুষ্ঠিত হৈছিল। দুয়োখন মেচত ১৪৭ ৰাণ সংগ্ৰহ কৰি অষ্ট্ৰেলিয়াৰ জৰ্জিয়া ভ'ল শৃংখলাৰ শীৰ্ষ স্থানত আছে। ইয়াৰ বিপৰীতে ছটা উইকেট দখলেৰে মেগান শ্বুট তালিকাৰ শীৰ্ষত আছে।

০০০০০০

ভাৰতীয় মহিলা দলটো আজি চীনৰ হংকঙত চলি থকা বিশ্ব স্কোৱাচ চেম্পিয়নশ্বিপ ২০২৪ৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটোৱে কালি ইটালীক ৩-০ পইণ্টত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল।  ভাৰতৰ আকাংক্ষা চলুংখে, অনাহাতে সিং আৰু নিৰূপমা ডুবেই তেওঁলোকৰ খেলত জয়লাভ কৰিছে। আজিৰ খেলখন ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ভাৰতীয় মহিলা দলটোৱে কলম্বিয়া আৰু ইটালীৰ বিৰুদ্ধে জয়লাভ কৰাৰ লগতে বেলজিয়ামৰ বিৰুদ্ধে পৰাস্ত হৈ গ্ৰুপ চিত দ্বিতীয় স্থানত প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ সামৰণি মাৰিছিল।

ইপিনে, ভাৰতৰ পুৰুষ দলটোৱে আজি মালয়েছিয়াৰ বিৰুদ্ধে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। গ্ৰুপ এফৰ এখন খেলত কালি কলম্বিয়াৰ বিৰুদ্ধে পৰাস্ত হোৱা সত্বেও দলটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছিল। খেলখন দিনৰ ১২ বজাত আৰম্ভ হ'ব।

০০০০০০

বতৰৰ বতৰা– বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ অহা ২৪ ঘণ্টাৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। ৰাজ্যত পুৱা আৰু নিশাৰ ভাগত কুঁৱলী পৰাৰ সম্ভাৱনা আছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৪ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৪ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে।

উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে ডাঠ কুঁৱলী পৰাৰো সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা তথ্য অনুসৰি পৰৱৰ্তী দুদিনলৈ দেশৰ উত্তৰ-পূব, মধ্য আৰু পূব অঞ্চলত তাপমাত্ৰা ২ৰ পৰা ৪ ডিগ্ৰী পৰ্যন্ত হ্ৰাস পাব বুলি প্ৰকাশ কৰিছে। ইফালে তামিলনাডু, পুডুচেৰী, অন্ধ্ৰপ্ৰদেশ, কেৰালাৰ উপকণ্ঠ অঞ্চলত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰটোৱে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত